**বিদ্যালয়ৰ নেতৃত্ব: সমাজ আৰু বিদ্যালয়ৰ মাজৰ অংশীদাৰিত্ব সুদৃঢ়কৰণ**

| অসমীয়া |
|---|
| মই যেতিয়া ইয়ালৈ আহিছিলো, বিদ্যালয়খনৰ সা-সুবিধাসমূহ ভাল নাছিল। ইয়ে প্ৰভাৱিত কৰিছিল শিশুসকলক আৰু তেওঁলোকৰ অভিভাৱকসকলক। গতিকে, আমি খণ্ড উন্নয়ন বিষয়া আৰু অভিযন্তাজনৰ লগত যোগাযোগ কৰিছিলো আৰু এই সা-সুবিধাসমূহ লাভ কৰিবলৈ এখন আঁচনি সম্পূৰ্ণ কৰি তুলিবৰ বাবে দিনতো, নিশাও তেওঁলোকক ইয়ালৈ আনিছিলো।<br><br>তাত ডাঙৰ ডাঙৰ গাঁত আছিল আৰু বিদ্যালয়খনৰ ঠিক সন্মুখতে এডৰা ডাঠ হাবি আছিল। অভিভাৱকসকলে তেওঁলোকৰ কণমানিহঁতক বিদ্যালয়লৈ পঠাব নিবিচৰাৰ বিভিন্ন কাৰণৰ ভিতৰত এইটো এটা কাৰণ আছিল।<br><br>আমি বিডিঅ', এছডিএম, গাঁও পৰিষদ প্ৰমুখ্যে এজন বিডিচি সদস্য আৰু ব্লকৰ মুখ্য বিষয়াজনক সাক্ষাৎ কৰিছিলো। তেওঁলোক সকলোৰে লগত আলোচনা কৰাৰ পাছত, আমি ডাঙৰ ডাঙৰ গাঁতবোৰ পুতি পেলাইছিলো আৰু বিদ্যালয়খন সম্পূৰ্ণৰূপে পৰিষ্কাৰ কৰি পেলাইছিলো। কেৱল এই কাম সম্পন্ন কৰাৰ পাছতেই অভিভাৱকসকল আৰু ৰাইজে ভাবিবলৈ আৰম্ভ কৰিছিল যে বিদ্যালয়খনৰ লগত তেওঁলোকে যিকোনো সম্পৰ্ক ৰাখিব পাৰে।<br><br>২০০৯ চনত যেতিয়া মই ইয়ালৈ আহিছিলো বিদ্যালয়খনত কেৱল নজন ছাত্ৰ আছিল। বিদ্যালয়খন আছিল এখন সৰু গাঁৱত য'ত ৩০০ গাঁওবাসী আছে। ইয়াত পাঁচখন মণ্টেছৰী বিদ্যালয় চলি আছে আৰু অভিভাৱকসকল এই বিদ্যালয়খনতকৈ মণ্টেছৰী বিদ্যালয়খনৰ প্ৰতিহে বেছি আগ্ৰহী।<br><br>সেইবাবেই কেৱল নজন ছাত্ৰহে এই বিদ্যালয়ত আছিল। মই যথেষ্ট চেষ্টা কৰিছো। ব্যক্তিগতভাৱে অভিভাৱকসকলক পতিয়ন নিয়াবৰ বাবে মই ঘৰে ঘৰে গৈছিলো।<br><br>গাওঁ শিক্ষা সমিতি আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকলৰ লগত মই যোগাযোগ ৰক্ষা কৰি চলিছিলো। মই এই সমিতিসমূহৰ লগত বৈঠকত মিলিত হৈছিলো। তেওঁলোকক বিশ্বাস জন্মাবলৈ চেষ্টা কৰিছিলো। মই তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰক কেৱল এবছৰৰ বাবে আমাৰ বিদ্যালয়লৈ পঠিয়াবলৈ আৰু এবছৰৰ বাবে মণ্টেছৰী স্কুলৰ লগত আমাৰ স্কুলৰ শিক্ষা তুলনা কৰি চাবলৈ কৈছিলো। তাৰ  পাছত তেওঁলোকে সিদ্ধান্ত লওঁক তেওঁলোকে তাত কি পাইছিল আৰু ইয়াত কি পাইছে।<br><br>তেওঁলোকক পতিয়ন নিয়াবৰ বাবে এটা মাহত দুখন বৈঠক মই নিয়মিতভাৱে অনুষ্ঠিত কৰিছিলো আৰু লাহে লাহে অভিভাৱকসকলে আমাক বিশ্বাস কৰিবলৈ আৰম্ভ কৰিছিল আৰু তেওঁলোকৰ কণমানিহঁতক আমাৰ ওচৰলৈ পঠাবলৈ আৰম্ভ কৰিছিল। এবছৰ পাৰ হৈ গ'ল। তেওঁলোকে তুলনা কৰি চাইছিল দুয়োখন বিদ্যালয়ৰে কৰ্ম-সংস্কৃতিসমূহ আৰু তাৰ পাছৰ  পৰা, তেওঁলোকে বিদ্যালয়খনক অধিক অগ্ৰাধিকাৰ দিছিল।<br><br>প্ৰতিদিনে স্কুলৰ পাঠদান শেষ হোৱাৰ পাছত আমি যুগুত কৰোঁ পৰৱৰ্তী দিনৰ কৰ্ম আঁচনি। আমি কি কৰা উচিত, তথা আমাৰ ছাত্ৰ-ছাত্ৰীসকলক শিকাবলৈ কিবা নতুন কথা আছে নেকি আৰু তাৰবাবে কি কি শিক্ষণ সামগ্ৰী প্ৰয়োজন হ'ব পাৰে সেই লৈ সিদ্ধান্ত গ্ৰহণ কৰিছিলো।<br><br>তিনিজন শিক্ষকৰ ভিতৰৰ পৰা এজনে কিবা এটা নতুন বিষয়ৰ লগত পৰিচয় কৰাই দিবৰ বাবে সামগ্ৰী সংগ্ৰহৰ দায়িত্ব বহন কৰিছিলো। আমি আৰম্ভণিৰে পৰা কাম কৰাৰ এই পদ্ধতি অৱলম্বন কৰিলো।<br><br>গতিকে, এজন নতুন শিক্ষকৰ বাবে ইয়াত এই পদ্ধতি ব্যৱহাৰ কৰাত বেছি সময় নালাগিব। কম সময়ৰ ভিতৰতে তেওঁলোক খাপ খাই পৰিব এই কৰ্ম-সংস্কৃতিৰ লগত। আগদিনাই যুগুত কৰি থোৱা ক্ৰিয়া-কলাপবোৰ আমি ইয়াত প্ৰয়োগ কৰোঁ। |